# কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ ঃ এটি অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক ষষ্ঠ ষাণ্মাসিকৰ অসমীয়া

DSE-3(H) কাকতৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প


**তত্ত্বাৱধায়ক**

ড° দেৱপ্ৰতীম হাজৰিকা

সহকাৰী অধ্যাপক

অসমীয়া বিভাগ

**প্ৰস্তুতকৰ্তা**

বিকাশ দাস

স্নাতক ষষ্ঠ ষাণ্মাসিকৰ

অসমীয়া বিভাগ

ৰোল নং ঃ 30810011

ৰেজিষ্ট্ৰেশন নং ঃ S1921563

**নন্দনাথ শইকীয়া মহাবিদ্যালয় , তিতাবৰ**

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰী বিকাশ দাস স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০১১) ৰ ছাত্ৰ। তেওঁ ড° দেৱপ্ৰতীম হাজৰিকাৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ **"কলিতাসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী শইকীয়া

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ,

নন্দনাথ শইকীয়া মহাবিদ্যালয়,

তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

ড° দেৱপ্ৰতীম হাজৰিকা
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়
তিতাবৰ, জিলা- যোৰহাট- ৭৮৫৬৩০

ভ্ৰাম্যভাষঃ ৭০০২৮৬২৩৭১
ইমেইল ঃ dprotim@gmail.com

প্ৰসঙ্গ নং.....

তাৰিখ ঃ ১২/৭/2022

**প্ৰমাণ পত্ৰ**

ইয়াৰ দ্বাৰা প্ৰমাণ পত্ৰ দিয়া হয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া (উচ্চমান) বিষয়ৰ **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰস্তুত কৰিবলগা প্ৰকল্পৰ বাবে শ্ৰী বিকাশ দাসে মোৰ তত্ত্বাৱধানত **কলিতাসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ ঃ এটি অধ্যয়ন** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰকল্পৰ বাবে কৰা ক্ষেত্ৰ অধ্যয়ন তেওঁৰ নিজা প্ৰচেষ্টাৰ ফল। ছাত্ৰজনে প্ৰকল্পৰ বাবে প্ৰয়োজনীয় সকলো নিয়ম আৰু গৱেষণা পদ্ধতি মানি চলিছে। প্ৰকল্পৰ কোনো অংশ তেওঁ পূৰ্বতে প্ৰকাশ কৰা নাই।

তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

দেৱপ্ৰতীম হাজৰিকা

(ড° দেৱপ্ৰতীম হাজৰিকা)

Department of Assamese
Date

## কৃতজ্ঞতা জ্ঞাপন

"কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ"এই আলোচনা শীৰ্ষক প্ৰকল্পখন ড° দেৱপ্ৰতীম হাজৰীকা ছাৰৰ তত্বাবধানত প্ৰস্তুত কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয়বস্তু নিৰ্বাচনৰ পৰা আদি কৰি গৱেষণা কাযত বহুতো দিহা পৰামৰ্শ আগবঢ়াই আৰু লগতে বিভিন্ন সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত ড° দেৱপ্ৰতীম ছাৰে সম্পৰ্ণ সহায় সহযোগিতা আগবঢ়াই এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় আগবঢ়ালে যাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ জ্ঞাপন কৰিলোঁ।

নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি অসমীয়া বিভাগৰ সমূহ কৰ্মকতাক মোৰ গৱেষণা পত্ৰত সহায় সহযোগিতা আগবঢ়োৱা মহিমাবাৰী, চিনাতলি গাওঁৰ লাৱণ্য ফুকন,নিপিটি চমুৱা,ভক্তি কলিতা,পূণিমা বৰা বাইদেউকো ধন্যবাদ জনালোঁ।

লগতে ডি.টি.পি ত সহায় কৰি দিয়া নয়ন বড়া আৰু গৱেষণা ক্ষেত্ৰ অধ্যয়ণৰ বাবে বিভিন্ন ঠাইলৈ যোৱা আৰু কিতাপ পত্ৰ দি সহায় সহযোগিতা আগবঢ়োৱা মোৰ সহপাঠী সকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিকাশ দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়,তিতাবৰ

## সূচী পত্ৰ


কৃতজ্ঞতা জ্ঞাপন

তত্বাৱধায়কৰ প্ৰমান পত্ৰ

বিভাগীয় প্ৰধানৰ প্ৰমান পত্ৰ

০.০ অবতৰনিকা

০.১ বিষয়ৰ পৰিচয়

০.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

০.৩.১ বিষয়ৰ সিমাবদ্ধতা

০.৩.২ ভৌগোলিক সীমাবদ্ধতা

০.৪ অধ্যয়নৰ পদ্ধতি

০.৪.১ তথ্য সংগ্ৰহৰ পদ্ধতি

০.৪.২ প্ৰতিবেদনৰ প্ৰস্ততকৰণৰ পদ্ধতি

০.৫ তথ্য আহৰনৰ উৎস

০.৫.১ প্ৰাথমিক উৎস

০.৫.২ গৌণ উৎস

০.৬ পূৰ্বকত অধ্যয়নৰ সমীক্ষা

১.০ কলিতা সকলৰ পৰিচয়

২.০ মূল বিষয়ৰ বিশ্লেষণ

২.১ তোলনি বিয়া

২.২ বৰ বিয়া

২.২.১ তমোল পান পেলোৱা বা আঙুঠি পিন্ধোৱা পৰ্ব

২.২.২ জোৰোণ দিয়া

২.২.৩ পানী তোলা পৰ্ব

২.২.৪ গাথিয়ন খুন্দা পৰ্ব

২.২.৫ ন-পুৰুষ শ্ৰাদ্ধ

২.২.৬ পাতি তোলা পৰ্ব

২.২.৭ দৰা আদৰা পৰ্ব

২.২.৮ হোম দিয়া পৰ্ব

২.২.৯ আঙুঠি বিচৰা পৰ্ব

২.২.১০ কইনা বিদায় দিয়া পৰ্ব

২.২.১১ দৰা কইনা আদৰা পৰ্ব
২.২.১২ খুৰা খুবুনি
২.২.১৩ আঠ মঙলা খোৱা পৰ্ব
২.২.১৪ দোনাই খাবলৈ অহা পৰ্ব
৩.০ উপসংহাৰ
৩.১ ক্ষেত্ৰ সমীক্ষাৰ পৰা প্ৰাপ্ত সিদ্ধান্ত
৩.২ সামৰণি

০.০ অৱতৰণিকাঃ

০.১ বিষয়ৰ পৰিচয়ঃ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিক পাঠ্যক্ৰম DSE-২ কাকত খনৰ অন্তগত ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ শীষক বিষয়টোৰ নিবাচন কৰা হৈছে । যোৰহাট জিলাৰ মহিমাবাৰী অঞ্চলৰ চিনাতলি গাৱঁত এই ক্ষেত্ৰভিত্তিক অধ্যয়ণ কৰা হৈছে ।

০.২ অধ্যয়ণৰ লক্ষ্য আৰু উদ্দেশ্যঃ

১/ কলিতা সকলে বিবাহ কাষ সম্পন্ন কৰোতে পালন কৰা লোকাচাৰ সম্পৰ্কে আলোক পাত কৰা ।

২/ তেওঁলোকৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ সমুহ কেইদিনিয়াকৈ পালন কৰে সেই সম্পৰ্কে অবগত হোৱা এই প্ৰতি বেদনটিৰ মুল লক্ষ্য আৰু উদ্দেশ্য ।

০.৩ অধ্যয়ণৰ পৰিচয়ঃ

০.৩.১ বিষয়ৰ সীমাবদ্ধতাঃ

কলিতা জনগোষ্ঠিৰ লোকসকল তোলনি বিয়া আৰু বৰ বিয়াত পালন কৰা ৰীতি নীতি তথা লোকাচাৰ সমুহ সামৰি এই প্ৰতিবেদন যুগুত কৰা হৈছে ।

০.৩.২ ভৌগলিক সীমাবদ্ধতাঃ

কলিতা সকলে বিবাহ অনুষ্ঠানত পালন কৰা লোকাচাৰ সমুহৰ তথ্য আহৰণ কৰিবলৈ যোৰহাট জিলাৰ অন্তগত মহিমাবাৰী অঞ্চলৰ প্ৰায় তিনিশ ঘৰ মানুহেৰে আগুৰা চিতাতলি গাৱঁক প্ৰধবক ক্ষেত্ৰ হিচাবে নিবাচন কৰা হৈছে ।

০.৪ অধ্যয়নৰ পদ্ধতিঃ

০.৪.১ তথ্য অধ্যয়নৰ পদ্ধতিঃ

এই প্ৰকল্প প্ৰস্তত কৰিবলৈ লাভ কৰা তথ্য সমুহ সাক্ষাৎকাৰ পদ্ধতিৰ দ্বাৰা গ্ৰহণ কৰা হৈছে । চিতাতলি গাৱঁৰ কেইগৰাকীমান মহিলাৰ সহায়ত লাভ কৰা তথ্যৰ আধাৰত এই প্ৰতিবেদন খন প্ৰস্তত কৰা হৈছে । প্ৰতিবেদন খন প্ৰস্তত কৰা পূবে তথ্য দাতাক কিছুমান প্ৰশ্ন কৰা হৈছিল সেই সমুহ হল-

১) কলিতাসকলৰ তোলনি বিয়াত কেনেধৰনৰ ৰীতি নীতি পালন কৰা হয় ?

২) কলিতাসকলৰ বৰ বিয়াত কেনেধৰনৰ ৰীতি নীতি পালন কৰা হয় ?

৩) কলিতাসকলৰ বিবাহ অনুষ্ঠান কেইদিনিয়াকৈ পালন কৰা হয় ?

এই প্ৰশ্নসমূহৰ দ্বাৰা লাভ কৰা উত্তৰ সমুহৰ সহায়ত প্ৰতিবেদনটি যুগুত কৰা হৈছে।

০.৪.২ প্ৰতিবেদন প্ৰস্তুত কৰা পদ্ধতিঃ

এই প্ৰতিবেদনটি প্ৰস্তুত কৰোতে বিষয় বিশ্লেষণ পদ্ধতি আৰু বণনাত্মক পদ্ধতি অবলম্বন কৰা হৈছে।

০.৫ তথ্য আহৰনৰ উৎসঃ

০.৫.১ প্ৰাথমিক উৎসঃ

প্ৰতিবেদনটি প্ৰস্তুত কৰিবলৈ যাওতে চিনাতলী গাওঁৰ কেইগৰাকীমান মহিলাৰ সহায়ত তথ্য সংগ্ৰহ কৰা হৈছে।

০.৫.২ গৌণ উৎসঃ

প্ৰতিবেদনটি প্ৰস্তুত কৰিবলৈ যাওতে কলিতা সকলৰ পৰিচয় সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ -পাতিৰ সহায় লোৱা হৈছে।

০.৬ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

কলিতা জনগোষ্ঠিৰ ওপৰত যে পূৰ্বতে কোনেও অধ্যয়ন কৰা নাই এনে নহয়,কিন্তু কলিতা জনগোষ্ঠি সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধ-পাতি পোৱা গৈছে যদিও প্ৰতিবেদন এটি পূৰ্বকৃত অধ্যয়ন কৰিবলৈ সেই সমূহ সমলেই পযাপ্ত নহয়। তদুপৰি বতমান পৰিবেশ পৰিস্থিতি তথা সমল আৰু তথ্য পাতিৰ অভাবত এই প্ৰতিবেদনত অন্তভূক্ত কৰিবলগীয়া পূৰ্বকৃত অধ্যয়ন বিষয়টি বাদ পৰি গৈছে।

১.০ কলিতা সকলৰ পৰিচয়ঃ

কলিতা জনগোষ্ঠীৰ ওপৰত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চলৰ প্ৰাচীনতম অধিবাসী আৰু বতমান অসম ৰাজ্যৰ সংখ্যাগত ভাবে বৃহত্তম খিলঞ্জীয়া জনগোষ্ঠী। পূবে তিনিচুকীয়া জিলাৰ পৰা পশ্চিমে ধুবুৰি জিলালৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰতিখন জিলাতে কলিতা জনগোষ্ঠি লোকৰ বসতি আছে।বেলেগ ঠাইত বেলেগ সময়ত বেলেগ মানুহৰ উচ্চাৰন ভেদে কলিতাৰ শব্দৰ নানান ৰুপান্তৰ ঘটিছে । যেনে-কলিতা,কোলিতা,কুলিতা,কলতা,ইত্যাদি।বতমান অসমৰ জনসংখ্যাভাৱে বৃহত্তম থলুৱা জনগোষ্ঠীৰ কলিতাসকলৰ প্ৰায় কুৰিটামান ভাগ উপভাগ বা সম্প্ৰদায় আছে।ইয়াৰে গৰিষ্ঠসংখ্যকেই ভাৰতীয় সংবিধানীকভাৱে সাধাৰণ শ্ৰেণী অন্তভুক্ত। যদিও কেইটামান সম্প্ৰদায় অন্যান্য পিছপৰা শ্ৰেণী অন্তভুক্ত যেনে-বৰকলিতা,সৰু কলিতা,কেওট,কায়স্থ,কুমাৰ,ধুবী হীৰা ইত্যাদি। কলিতা সকল মূলত কৃষিজীৱি। সময়ৰ পৰিৱতনৰৰ লগে লগে বিভিন্ন বৃত্তি অবলম্বন কৰিবলৈ লৈছে যদিও কলিতা সকলে প্ৰত্যক্ষ বা পৰোক্ষভাবে কৃষি পশু পালনৰ জৰিয়তে জীৱন নিবাহ কৰে। কলিতা সকলে দুটা গৰু মহেৰে নাঙল নামৰ বিশেষ সৰ্জুলিৰে মাটি চহাই খেতি কৰে । গৰু আৰু নাঙল হালৰ গৰাকীক হালৈ বোলা হৈছিল ।

২.০ মূল বিষয়ৰ বিশ্লেষণঃ

পৃথিৱীৰ সকলো সমাজতে বিবাহ লগত জড়িত কিছুমান নীতি-নিয়ম আচাৰ-পদ্ধতি আছে । ধম সম্প্ৰদায় তথা অঞ্চলভেদে কিছুমান নীতি-নীয়ম বেলেগ যদিও কিছুমান নিয়ম সকলো সমাজতে প্ৰযোজ্য । সকলো সমাজতে একে পৰিয়ালৰ লোকৰ মাজত বিবাহ নিষিদ্ধ । কলিতা জনগোষ্ঠীৰ মাজতো এই নিয়ম প্ৰযোজ্য । কলিতা সকলে বিবাহ ঘাইকৈ এদিনীয়া বা দুদিনিয়াকৈ পালন কৰে তেওলোকৰ বিবাহ অনুষ্ঠানত পালন কৰা লোকাচাৰ সমুহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল-

২.১ তোলনি বিয়াঃ

কলিতা সমাজত ছোৱালী এজনী বিয়া হোৱাৰ পাছত ওচৰৰে আয়তীসকলে আহি উৰুলি দি কইনাজনিক পুৰুষৰ মুখ নেদেখাকৈ আছুতীয়াক কোঠা এটাত সুমুৱাই থয়। কোঠাটোত মাটিত খেৰ পাৰি বিচনা কৰি দিয়া হয় । তাৰ পাছত ঘৰৰে বা ওচৰৰে বয়োজেষ্ঠ্য লোক এজন গনকৰ ওচৰত মঙ্গল ছোৱাবলৈ যায় । গনকে কিমানদিনত বিয়া তুলিব লাগিব ,কইনাই কিমান দিন ব্ৰতত থাকিব লাগিব , কি কি দান দক্ষিণা দিব লাগিব , এই সম্পৰ্কে দিহা দিয়ে , প্ৰথম দিনা কইনাক একো খাবলৈ দিয়া নহয় । তিনিদিনৰ পৰা ফল-মুল,প্ৰসাদ আদি খাবলৈ দিয়া হয় । চাৰিদিনৰ দিনা আয়তীসকল আহি মান,গুণ,গাই উৰুলি দি কইনাক মাহ হালধীৰে গা ধুৱায়। গাভৰু ছোৱালী এগৰাকীয়ে কইনাক গা ধুৱায় আৰু কইনাক মুগাৰ মেখেলা ,চাদৰ,চেলেং পিন্ধাই চোতালত আয়তীসকলৰ ওচৰত সেৱা কৰায় । আয়তীসকল প্ৰসাদ খাই ঘৰাঘৰি যায় আৰু কইনাক কিবা কিবি খাবলৈ দিয়ে । কিছুসময়ৰ পাছত আয়তী সকলে পুনৰ আহি দুৱলি পাতে । দুৱলি খনত চাউল,তামোল,পান অৰিহনা,কল সাতটা বা পাচটা ,ধুপ-চাকি আৰু কনাই থাকে।ৰুমাল এখনত সোণৰ মনি এটা , পইচা এটকা , ডিমৰু গুৰি তিনিটাৰে সৈতে বান্ধি থোৱা তোপোলা টোৱেই হৈছে কনাই । বিয়াৰ দিনা ৰাতিপুৱা আয়তী সকল আহি প্ৰথমে কইনাক গা ধোৱা ঠাইলৈ নিয়ে । গা ধোৱা ঠাই দোখৰ ওচৰতে এটা তামোল পুলি ৰোৱা হয়। আয়তী সকলে কইনাৰ মুৰত তামোল এটা দি তেল এটোৱা দিয়া আৰু ফনিৰে মুৰ আচোৰা। তাৰ পিছত কইনাই তোমোল পুলিটো নোৱাই লোটাৰে পানী ঢালে। পুলিটো গা গছত ৰঙা বগা সুতাৰে মেৰিয়াই দিয়ে । অথাৎ কাপোৰ পিন্ধায় বুলি ধাৰণা কৰে। আখৈ আৰু পিঠা গুৰি লৈ কইনাই দুই হাতেৰে পুলিটোৰ গুৰিত পেলাই দি আঠুকাঢ়ি সেৱা কৰে অথাৎ স্বামী বৰণ কৰে । তাৰপাছত নতুন কাপোৰ পিন্ধাই কইনাক ভিতৰলৈ লৈ অনা হয়। যদি কইনাৰ ব্ৰত নাথাকে তেনেহলে ব্ৰাক্ষণ আহি কইনাক শুদ্ধি কৰে । পুৰোহিতৰ লগে লগে কওনাও মন্ত্ৰ উচ্চাৰণ কৰে। মঙ্গলত নিদ্ধাৰণ কৰি দিয়া অনুসৰি পুৰোহিতক দান দক্ষিণা প্ৰদান কৰিব লাগে . যেনে- ৰাজ হাহঁ,কাছ,ছাগলী,গুৰ,চেনী ইত্যাদি। কইনাৰ ব্ৰত থাকিলে এই পৰম্পৰা বিয়াৰ দিনাৰ পৰা কৰা নহয়। আবেলি অকৌ আয়তী সকল আহি

উৰুলি ধ্বণিৰে মুখৰিত কৰি নামগুন গাই কইনাক পাটৰ সাজ আ-অলংকাৰ পিন্ধাই সজায়। এনেদৰে কলিতা সমাজত তোলনি বিয়া অনুষ্ঠিত কৰা হয়।অতীতৰ বিয়া এখন স্থানীয়ভাৱে উপলব্ধ হোৱা বিভিন্ন সা সামগ্ৰীৰ খেল বা ৰাইজে মিলি সম্পন্ন কৰিছিল। বিয়াৰ উল্লেখযোগ্য কামবোৰ কৰে কলিতা সমাজত তোলনি বিয়া এনেদৰে অনুষ্ঠিত কৰা হয়।তোলনি বিয়াত গা ধুৱাওতে গোৱা গীত সমুহ হল-

ৰাম কৃষ্ণ মুৰত তেলে দিয়া
ৰাম কৃষ্ণ ধাৰো নিচিঙিবা ।
হৰি মোৰ ঐ ৰাম ভন্টি চেনেহৰ চুলি
চানকৈ ভণ্টিয়ে কলকৈ নাচাবা
ভৰোণ বিৰিষলৈ চাবা
ভৰোণ বিৰিষতে হাতে নলগাবা
অলপতে কইনাকাল হলা
চানকৈ ভণ্টিয়ে গনকক সুধিছে
কি সাজ সলাব পাৰো
চাইতে সোকোৱা মুঠিতে লোকোৱা
সেই সাজ সলাব পাৰি

তোলনি বিয়াত ৰভাতলিত বহি আয়তীসকলে গোৱা নাম পদুলি মুৰয়ে ৰক্ত জৰা। শান্তিহৈ ভন্তি ঐ শান্তনা হবা। পুৰুষৰ কাষলৈ তুমি নাযাবা। পুৰুষে নুবুজে নাৰীৰ মুল। নাৰীয়ে এপহি ধুনীয়া ফুল। সেইফুল পাহিতে ভোমোৰা পৰে। মদাৰ ফলৰদৰে অনাদৰ কৰি। বসন্ত কেতেকি দুঘন্টা সজাইছে তেওঁভাল নেদেখি। ডেচিং আইনা আগত লৈ ডেচ কৰা অকলে বৈ নাথাকিবা লোকে সজাই দিবলে।যোৱা নামঃ

এক দুই কৈ দেখিলো বহুত বিয়া দেখিলো
এইদৰে সজোৱা এই প্ৰথম দেখিলো।
কলা মাহৰ মেৰণি ভন্তিক সজোৱা ভনি
কোন কলেজৰ কেৰেণি।
বনে বনে ফুৰিলো বনৰ মালা গাথিঁলোও
বেয়া নাপাবা দেই ধেমালিহে কৰিলো।
নকৰিবা তকবাদ আজিকালি বিয়াবোৰত
কোৰানামে আশীৰ্বাদ।

২.২ বৰ বিয়াঃ

কলিতা সমাজত দৰাঘৰে ছোৱালী এজনী পছন্দ কৰাৰ পাছত বিবাহ অনুষ্ঠানৰ পূবৰে পৰা বিবাহ সম্পন্ন হোৱাৰ পৰৱতী সময়লৈকে কিছুমান লোকাচাৰ পালন কৰে । বিবাহ হ'ল এক আনন্দ উৎসৱ।ইয়াক ব্যক্তিজনে নিজে উপভোগ কৰিব পাৰে আনন্দ বিবাহ। আত্মীয় কুটুমৰ লগত লগ লাগি ৰং ধেমালী কৰোঁতে নীতি-নিয়ম , কিছু পৰম্পৰা আৰু কিছু সংস্কাৰ মানি চলা হয়। কলিতা সমাজত এই নীতি-নিয়ম পৰম্পৰা সংস্কাৰ দেখিবলৈ পোৱা যায়।

অতীতৰ বিয়া এখন স্থানীয় ভাবে উপলব্ধ হোৱা বিভিন্ন সা-সামগ্ৰী মেল বা ৰাইজে মিলি সম্পন্ন কৰিছিল।বিয়া উল্লেখযোগ্য কামবোৰ হলঃ খৰিফলা,চিৰা খুন্দা,পিঠা লাড়ু বনোৱা,কলগছ পটুৱা দোনা আদি তৈয়াৰ কৰা। চাহৰ লগত খাবৰ বাবে খৰমিঠৈ তৈয়াৰ কৰা। ডেকা সকলে কলপাত আৰু খেজুৰ পাতেৰে ৰভা ঘৰ সাজে। কলিতা সমাজৰ লোক সকলে ভিন্ন কামত নিজকে নিয়োগ কৰিছে।

সাধাৰণতে দৰা ছোৱালী দুদিন উপবাসে থাকে। তেওলোকক খোৱাৰ বাবে ঘৰৰ মানুহে ঢেকিত খুন্দা কোমল ধানৰ চিৰা তেওলোকৰ বাবে তৈয়াৰ কৰে। লগতে মাক আৰু দেউতাক বৰতত থাকে। মাকে টেকেলি ধৰিব বাবে আৰু দেউতাকে শুমৰ বহি বিয়া দিয়া কাৰণে উপবাসে থাকে। আৰু দৰা ঘৰ বা কইনা ঘৰৰ পদূলি বোৰত এযোৰ কলপুলি পুটি তাত এডাম আম দালি দিয়া হয়। কলিতা সমাজত বিয়া এক পৰম্পৰা হ'ল দৰা কইনাক সেই দুইদিনৰ বাবে ভগৱান বুলি কোৱা হয়। সেইবাবে উপবাসে থাকি ৰাতিটোলৈ খাবলৈ দিয়া হয়। পিছদিনা জোৰোণ নহালৈকে দৰা বা কইনাক একো খাবলৈ নিদিয়াকৈ থোৱা হয় যে তেওঁ ৰামচন্দ্ৰই দি পঠোৱা সকলো আ-আলংকাৰ কাপোৰ কানি নটসিৰে গ্ৰহণ কৰা পিছত তেওঁক দৰা ফালৰ পৰা অনা কাপোৰ কানি পিন্ধাই সমাজত সেৱা কৰোওৱা হয়।

২.২.১ তামোল পান পেলোৱা বা আঙুঠি পিন্ধোৱাঃ

দৰা আৰু কইনা দুয়োঘৰৰ সুবিধা অনুযায়ী বিয়াৰ পূবে এটি দিন ঠিক কৰি দৰাঘৰীয়া ভকত কেইজন মানক লগত লৈ কইনা ঘৰলৈ যাত্ৰা কৰে।কইনা ঘৰৰ মানুহে দৰাঘৰীইয়া ভকত সকলক হাত ভৰি ধুৱাই ভিতৰলৈ আদৰি নিয়ে। আসন পাৰি বহোৱাৰ পিছত ভকতসকলক চাহ তামোল পান যোগান ধৰে। এইদৰে অবাসয় কৰাৰ পাছত দৰাঘৰেকইনা ঘৰলে অহাৰ উদ্দেশ্য ব্যক্ত কৰে। তাৰ পাছত দুয়ো পক্ষ্যই তামোল পানৰ শৰাই আগবঢ়াই বিয়াৰ কথা আলোচনা কৰে আৰু দৰাঘৰৰ মানুহে ছোৱালীক আঙুঠি পিন্ধাই ভকতসকলৰ আগত সেৱা কৰায়।

এখন বিয়া আৰম্ভ কৰিবলৈ যাওঁতে দৰাঘৰৰ মানুহে ছোৱালী চাবলৈ যায়। ছোৱালী চোৱা পিছত তেওলোকৰ পচন্দ হলে ছোৱালী ঘৰৰ মানুহক দৰা ঘৰলৈ মাটি থৈ আহে। ছোৱালী ঘৰৰ মানুহ অহাৰ পিছত দুয়োঘৰৰ কথা বতৰাৰ পিছত দিন বাৰ ঠিক কৰা হয়। তাৰ

আগতে আমাৰ এটা নিয়ম আছে তামোল পান পেলোৱা বা আঙুঠী পিন্ধোৱাই এটা দিন লৈ দৰা ঘৰৰ মানুহে আঙুঠি পিন্ধাই অথবা তামোল পান পেলায়। সেই দিনা দুই পক্ষৰ মানুহ ৰভাৰ তলিত বহি দুয়োঘৰৰ মানুহে শৰাই আগবঢ়াই দিয়ে সেইদিনাৰ পৰা ঘৰৰ দুয়োঘৰৰ মানুহ মিটিৰ হয়। সেইখিনি তামোল পান ৰাইজে কাটি কোটি খাই । তাৰ পিছত আয়তীসকলে গোট খাই ছোৱালীক মূৰত তেল দিয়াৰ পৰা শিৰত সেন্দুৰ দিয়ালৈকে আৰু লগতে আঙুঠি পিন্ধাই দিয়ে।সেইদিনা পৰাই দুয়োপক্ষৰ মিতিৰালি আৰম্ভ হয়।

২.২.২ জোৰোণ দিয়াঃ

জোৰোণ দিয়া দৰাঘৰৰ মানুহে কইনা ঘৰলৈ জোৰোণ দিয়া উদ্দেশ্য যাত্ৰা কৰে। তেওঁলোকে জোৰোণত পাটৰ সাজ,মুগা সাজ,আ-আলংকাৰ, প্ৰসাধান সামগ্ৰী দৈ, মিঠাই,মাছ,কচুঠাৰিৰ সৈতে জোৰণি এটা কইনাৰ মাকলৈ এসাজ কপোৰ ইত্যাদি লৈ আহে। জোৰোণ আহি কইনা ঘৰৰ পদুলি পোৱাৰ পাছত দৰা কইনা দুয়ো ঘৰে তামোল পানৰ শৰাই আগ বঢ়াই সেৱা কৰি জোৰোণক ৰভাতলিলৈ আদৰি আনি গোঁসাই পাতি থোৱা ঠাইত বহিবলৈ দিয়ে। জোৰোনত অনা বস্তু সমুহ প্ৰথমে ৰভাতলিত থয় তাৰ পাছত টেকেলি ধৰা মহিলা দুগৰাকী আৰু কেইগৰাকী মান দৰা ঘৰৰ আয়তীয়ে ৰাইজক সেৱা কৰি জোৰোণৰ বয় বস্তু সমুহ ভিতলৈ কইনাৰ ওচৰলৈ লৈ যায়। ইয়াৰে পাটৰ সাজ,আ-আলংকাৰ,প্ৰসাধান সামগ্ৰী ইত্যাদী কইনাক অপন কৰে আৰু মাছ ভোজনি আৰু এযোৰ কাপোৰ কইনাৰ মাকক প্ৰদান কৰে। তাৰপাছত দৰাঘৰীয়া আয়তীয়ে প্ৰথমে উৰুলী দি কইনাৰ মূৰত তেল দি মূৰ ফনিয়াই সেন্দুৰ দি দৰাঘৰৰ পৰা নিয়া বস্তু আ-অলংকাৰ পিন্ধাই কইনাক সজায় আৰু মিঠাই খোৱায়। কইনা সজোৱাৰ পাছত ৰভাতললৈ নি ভকত সকলৰ ওচৰত সেৱা কৰাই আৰু ভকতে আশীৰ্বাদ দিয়ে। কইনাঘৰৰ মানুহে সাধ্য অনুযায়ী দৰা ঘৰীয়াক মান ধৰে আৰু খোৱা বোৱা কৰাই জোৰোণক বিদায় দিয়ে।

আ-অলংকাৰ পিন্ধাই থাকোতে আয়তী সকলে গোৱা বিয়া নামঃ

মাৰ অলংকাৰ থোৱা কাটি কৰি ঔ ৰাম
দেউতাৰ অলংকাৰ থোৱা হে।
ৰামে দি পঠাইছে বিচিত্ৰ অলংকাৰ
হাতে জুৰে কৰি লোৱা হে।
আহিছে জোৰোণ বহিছে কাজত
ৰাইদেউ শুই আছেগৈ মাৰাৰ কমত।
লাহে লাহে কৰি মায়ে জগায়
উঠাচোন সোণজনি জোৰোণ পিন্ধা।

২.২.৩ পানী তোলা পৰ্বঃ

জোৰোণ দিয়া পাছত গধূলি আয়তিসকলে গোট খাই ৰাইজৰ ফালৰ পৰা গায়ন বায়ন লগত লৈ পানী তুলিবলৈ যায়।পানী তুলি অনা পাছত দৈৱকীয়ে দৰা বা কইনাক মাহ হালধীয়ে গা ধুৱায় আৰু ঘৰৰ সকলকে দৰা বা কইনাৰ গাত মাহ হালধী সানিবলৈ দিয়া হয়। গা-ধুৱাই তিয়নি সলাই দৰা কইনাৰ মূৰত চাউল দিয়ে আৰু নামগুণ গায়। এদিনিয়া বিয় হলে তেতিয়া একেবাৰে তিনিগৰাকি দৈবকী লৈ পানী তোলি অনা হয়। নদী বাপুখুৰী পৰা এই পানী তুলি অনা হয়। পানী তুলিবলৈ যাওতে দৈৱকী হাতত চুৰি কটাৰি এটা তামোল পান আৰু এটাকৈ পইছা নিব লাগিব। সেই সকলো বোৰ জলত দি কটাৰিয়ে পানী কাটি দৈৱকীয়ে পানী কলহটো লৈ আহে,সেই পানীয়ে কইনাক গা ধুৱায়। পানী তুলিবলৈ যাওঁতে গোৱা বিয়া নামঃ

কাষে ঘন্তা লোৱা ৰাধা ঔ ৰাম
মোৰত লোৱা মালা হে
যমোনালৈ যাব লাগে ঔ ৰাম
নকৰিবা এলাহ হে।

তাৰ পাছত পানী তুলি আনি কইনাক বা দৰাক বেই বনাই তাত চাৰিওপিনে চাৰিটা কলপুলি আমদালি দি সাজি দিয়া হয়। তাত এখন চামৰ পিৰা পাৰি দিয়া হয়। তাতে বঢ়াই কইনা বা দৰাক মাদ হালধীয়ে নোৱোৱা হয়।

মাহহো গেলোৱা হালধীয়ো গেলোৱা ঔ ৰাম
গেলোৱা নাদৰৰে পানী হে।
মোৰত তেল দিবা
ধাৰো নিচিঙিবা চুলি হে।

এই দৰে কইনাক নোৱোৱাৰ পাছত কলচি পৰা পানী খাবলৈ দিয়া হয়। আমখাৰ আৰু চাকিখাৰ খাবলৈ দিয়া হয়। আৰু মূৰত চাউল দিবলৈ পাচঁ গৰাকী আয়তীয়ে উৰুলি দি চাউল চতিয়াই এখন চেলেঙ কাপোৰ দি এটা সুঁতাত তাত এটা সোনৰ আঙঠি দি দৰা মূৰৰ উপৰত দিয়ে। শেষ হোৱাৰ পাছত এজন যুবকে আহি দৰা বা কইনাক ৰভাতলিলৈ দাঙি লৈ যায়।পানী তোলিবলৈ যাঁওতে আয়তী সকলে গোৱা বিয়া নামঃ

ৰাম কৃষ্ণ ওলাল জাকি মাৰি
ৰাম কৃষ্ণ পুখুৰীৰ মুৰা মাছ
ৰাম কৃষ্ণ ওলাল জাকি মাৰি তৰা ।
ৰাম কৃষ্ণ ওলাল জাকি আমাৰে দৈবকী
ৰাম কৃষ্ণ সমাজৰ মাজৰ পৰা।
ৰাম ৰাম দহকৈ পুখুৰী ৰাম ৰাম

খন্দালা ৰাম তুমি। ৰাম ৰাম বন্ধালা সেন্দুৰী আলি হে।
আকাশত জ্বলি আছে থুনি থুনি তৰা
দৈৱকীয়ে পানী তোলে নাচে অপেশ্বৰা।
গোৱাপান আগেকৰি জললো নামিবা
আঠোকাহি সেৱা কৰি পানী কাটি
কলচিত ভৰাবা।
ফুলচন্দ্ৰ তুলসি ভৰিলনে নগৰিল
ৰাধা তোমাৰ কলচি।
দৰা গা ধোৱাতে গোৱা বিয়া নামঃ
চাৰিওফালে কলপুলি মাজে আমৰ দালি
বেৰ মাজত সোমাই দাদায়ে কৰিছে ধেমালী।
বেৰ মাজত সোমাই দাদায়ে মোচোং কৰে
ন'বলৈ মনত পৰি মিচিক মিচিক হাঁহে।

২.২.৪ গাথিয়ন খুন্দা পৰ্বঃ

গাথিয়ন খুন্দা পৰ্ব তিনিগৰাকী আয়তীয়ে আৰু তিনিগৰাকী ছোৱালীৰ সৈতে কইনাক বহুৱাই লৈ এখন কম্বল দি ধাকি বাহিৰৰ পৰা যাতে একো নুশুনে তাৰ প্ৰতি লক্ষ্য কৰি গাথিয়ন খুন্দা হয়। এখন শিলৰ পটাত আৰু এটা শিল গুটি লৈ আয়তী আৰু অকুমাৰী ছোৱালী সৈতে সেই গাথিয়ন খিনি মুহি তাৰ এটা ফুট কইনাক দিয়া হয়। তাত থকা আটাই গৰাকিয়ে সেই ফুট লয়।তাৰ পিছত আটাই গৰাকী মানুহে সেইদিনা ৰাতিতো তাত কটায়।ৰাতিপুৱা আগে আগে দৰা বা কইনাৰ দজা মুখত এখন চেলেঙ কাপোৰে দি মাকে তেওঁলোকক গাখীৰত পান লৈ এখন বিচনি আৰু ত্ৰিৰেৰে সুতাৰ গামোচা লৈ তেওলোকক দয়ন দিয়া পৰ্বটো কৰে।মাকে সেইদিনা কৰাপাছত এটা কাম সমাপ্ত হয়।

কইনাক মণ্ডলৰ কাষত বহুৱাই শিলৰ পটাত গাথিয়ন মুঠা গছ বিৰিণা আহি যোৱা হয়।কইনাক বেড়ি চাৰিগৰাকী অকুমাৰি ছোৱালীয়ে কইনাৰ লগত গাথীয়ন খুন্দে। গাথীয়ন খুন্দাৰ সময়ত কইনাৰ মূৰৰ ওপৰত আয়তীয়ে চাদৰ এখন ধৰিব লাগে। এই গাথীয়ন তেলত দুবাই দুবৰিৰ আগেৰে কইনাৰ মূৰত দিব লাহে লগে লগে আয়তি সকলে জাউৰি জাউৰি উৰুলি দিয়ে। পিছদিনা অথাৎ বিয়াৰ দিনা গাথীয়ন খুন্দাৰ পাছত দৰা কইনাক দৈয়ন নিদিয়ালৈকে খালী ভৰিৰে থাকিবলৈ দিয়া নহয়। যি গৰাকী আয়তি আৰু সৰু ছোৱালী গাথীয়ন খুন্দুতে থাকে তেওঁলোকক দৰা বা ছোৱালীৰ লগতে থাকিবলৈ দিয়া হয়। ৰাতি পুৱালৈ অলপ সময় থাকোতেই মাকে দৰা বা কইনাক পাকঘৰৰ দুৱা মুখত এখন চেলেঙ কাপোৰ আৰি এখন বিচনি আৰু এটা কাহঁৰ বাটিত অলপকৈ দৈ দি ছখিলা পান তাত তিয়াই লয়। দৰক

ভিতৰ ফালে ৰাখি মাকে আৰু আয়তী আৰু সৰু আয়তী  ছোৱালী কেইজনীৰ সৈতে সেই পান বিলাক বিচনী মুখত দৰা বা কইনাৰ গাত তিনিবাৰ লগাই বাতিতোত থৈ দিয়ে। সেইপান লগাওতে আয়তী সকলে গোৱা বিয়া নাম হ'লঃ

দৈয়ন দিয়া দৈয়ন দিয়া মৰমৰে আই
ভালে কৰি দৈয়ন দিবা শৰীৰ যোবাই।

এই সকলো বোৰ কৰা পাছত গাথিয়ন খুন্দা দিয়া পৰ্বটো শেষ হয়।পিছদিনা ৰাতি পোৱা ন-পুৰুষৰ শ্ৰাদ্ধ কাৰনে সকলো কৰা হয়।

২.২.৫ ন-পুৰুষৰ শ্ৰাদ্ধঃ

বিয়া দিনা ৰাতি পুৱা ব্ৰাক্ষমনে দৰা কইনা দুয়োকে পৰাচিত কৰি ভকতসকলক লগত লৈ ন-পুৰুষৰ শ্ৰাদ্ধ পাতে। শ্ৰাদ্ধ ভাগৰ পাছত ভকতে মান কীত্তন কৰি দৰা কইনাক দুয়োঘৰৰ মানুহকে আশীৰ্বাদ প্ৰদান কৰে। আশীৰ্বাদৰ পাছতে ভকত সকলে প্ৰসাদ জা জলপান খায় । শ্ৰাদ্ধ ভাগৰ পাছত দৰাঘৰৰ পৰা দি পঠোৱা বস্ত্ৰ অলংকাৰে কইনাক আৰু কইনাঘৰৰ পৰা দিয়া বস্ত্ৰৰে দৰক সজাই তোলে। তাৰ পাছত দৰা বা কইনাক শৰাই এখনত চফ গুটি লৈ বিয়াঘৰলৈ অহা মানুহক আদৰণি কৰে।হোম সজাদি কৰে,বৌদ্ধিক মন্ত উচ্চাৰণ কৰে। চৌদিশে তাৰ ধ্বনি শুণিবলৈ পোৱা যায়।মানুহৰ মুখে মুখে প্ৰচলিত এক পৰম্পৰা বৌদ্ধিক বিয়াৰ সু-ফলৰ ওপৰত নিভৰ কৰে। কিন্তু বতমান সমাজত বিবাহত নামধমৰ পয়োভৰ দেখিবলৈ পোৱা যায়।কলিতা সমাজত ন-পুৰুষৰ শ্ৰাদ্ধ পাততো তেওলোকৰ উপৰি পুৰুষৰ নাম লোৱা হয়। দৰা বা ছোৱালী ঘৰৰ আৰু দৰা বা ছোৱালী ঘৰৰ ফালৰ পৰাও চাৰিগৰাকী মহিলা নাম লোৱ হয়। তেনেধৰণৰ বৌদ্ধিক মন্ত উচ্চাৰণ কৰি কইনাৰ বৰদেউতা অথবা বাপেক দৰাৰো বৰদেউতাক বা দেউতাক সেই শ্ৰাদ্ধত বহে। সকলো শ্ৰাদ্ধ কাম নিয়মিয়াকৈ কৰি পুৰুহিতক দিবলগীয়া সকলো দান দক্ষিণা আদি দৰা বা কইনা কিবা অশুভৰ লক্ষণ থাকিলে দান দক্ষিণা আদিৰো ধৰে সেই সকলো বোৰ পুৰুহিতক দিয়া হয়।মাজে মাজে আয়তী সকলে উৰুলি ধ্বনি দি পুৰুহিতক শ্ৰাদ্ধৰ কামত সহায় কৰে।শেষত দৰা বাপেকে আৰু কইনা বাপেকে তামোল পান দক্ষিণা দি তেওঁক বিদায় দিয়ে কলিতা সমাজত এটা নিয়ম আছে শ্ৰাদ্ধৰ কৰা পুৰোহিত জনক সম্পৰ্ণ এযোৰ কাপোৰ দি বিদায় দিয়ে। তাৰ লগে লগে সমুহ ৰাইজে ৰভাতলিত বহী নাম প্ৰসংৰ আয়োজন কৰে। নাম প্ৰসংগৰ শেষত কইনা ঘৰৰ বা দৰা ঘৰৰ সকলো মানুহে কইনাৰ সৈতে সমুহ ৰাইজৰ দণ্ড খৰচা দি সেৱা জনাই । তেতিয়া ৰাইজে তেওঁলোকক আশীৰ্বাদ দিয়ে। তাৰ পাছত সমুহ ৰাইজে চাহ জলপান খোৱা আৰম্ভ কৰে। চাহ জলপান খোৱা শেষত ৰাইজৰ বিদায় দিয়া হয়। দূৰ দূৰণি পৰা অহা মিটিৰ কুটুম গাওঁৰ ৰাইজৰ সকলোকে খোৱা বোৱা ব্যৱস্থা কৰা হয়। তাৰ পাছত ৰাতিলৈ দৰা বা কইনাৰ পানীতুলিবলৈ নোৱাৰ বাবে যোগান ধৰা হয়।

২.২.৬ পানী তোলা পৰ্বঃ

জোৰোনৰ দিনাৰ দৰেই বিয়াৰ দিনাও দৰা আৰু কইনাঘৰত পুনৰ পানী তোলা পৰ্ব অনুষ্ঠিত কৰে। পানী তুলিবলৈ যাওঁতে গায়ন বায়ন লগত লৈ দৈবকী এগৰাকীয়ে এটা দৈ টেকেলি আৰু সৰু ছোৱালী এজনীয়ে দবলি লৈ যায়। নিৰ্দিষ্ট ঠাইত টেকেলিটোত পানী তুলি অহাৰ পাছত গায়ন বায়নে দৈবকী গৰাকীক আগুৰি ধৰে। গৃহস্থই শৰাই এখনত তামোল পান অৰিহনা আনে। পানী তুলি অনা দৈবকী গৰাকীয়ে  দৰা কইনাক বেই তললৈ লৈ আহে। বেইখনৰ মাজভাগত দোং এটাত চাউল তামোল পান অৰিহনা ইত্যাদিৰে ঢাকি থয়। দৰা কইনাক মাহ হালধিৰে গা-ধুৱাই তিতা গাত ঢাকি সা আম আম সা  দি দৈবকীয়ে দৈ টেকেলিৰ পৰা আমপাতেৰে পানী ছটিয়াই। তাৰ পাছত মূৰত চাউল দি কাপোৰ সলাই দুয়োকে ভিতৰলৈ নিয়ে। পানীতোলাৰ উৎসৱত কিছুমান আচাৰ অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়। পানীতোলাৰ পিছত চাউলেৰে মাকে বা কইনাক আগ চাউল দিয়ে আৰু চাকিৰ তাপ দিয়ে। বেই কলগছ কই থ'লে যদি পিছলৈ থোক দিয়ে তেনেহলে দৰা কইনাৰ মঙ্গল হয় বুলি কোৱা হয়। গা ধুওৱাৰ সময়ত সাধাৰণতে কলগছৰ তলত পীৰা পাৰি গা ধুৱায় । দৰা কইনাৰ গা ধুৱাৰ পাছত সুবাগুৰি তোলৰ হয়। কোনো নদী বা পুখুৰীৰত দৰা বা কইনাৰ মাকে গা ধুই পানী যুবলিত লৰাৰ হ'লে পুখুৰী সদৃশ গাঁত খান্দে আৰু ছোৱালী বিয়াত দৌল বান্ধে। সেই দৌল বা পুখুৰী চাৰিওফালে চাৰিদিন খাৰিকা পুতি বেৰা দি এৰাসুতা মেৰিয়াই তাত কল,তামোল,পান,পিঠাগুৰি দুভাগ দিয়ে। মাকে দৈ কল দিয়াৰ পাছত দৌল বা পুখুৰীৰ পানী লৈ উটুৱাই দি পুনৰ গা ধুই এসুম পানী লৈ ঘৰলৈ ওভতে । আহোঁতে এজনীয়ে বাটত তিনিঠাইত কোৰেৰে সৰু সৰু গাত কৰে আৰু মাকে ডলাত অনা সুবাগুৰি কৰে ডলাত থকা খৰিকা মুঠিত অলপ পিঠাগুৰি পুনৰ ডলাত উঠাই লয়। ঘৰলৈ আনি দৰা বা কইনাৰ মূৰৰ ওপৰত দুগৰাকী আয়তীয়ে এখন চাদৰ মেলি ধৰে আৰু মাকে সোঁ ফালৰ পৰা বাওঁফাললৈ ঘূৰি সুবাগুৰি কৰে। এনেদৰে তিনিবাৰ দৰাৰ অন্তত দৰা বা কইনাই মাক দেউতাকক সেৱা জনায় আৰু মাকে ঘৰৰ এচুকত মুখত লৈ অহা পানী পেলাই। নামনি অসমৰ কলিতা সকলে দৰা অহাৰ আগেয়ে সুবাগুৰি তোলে,আনহাতে উজনিৰ কলিতাসকলে অহাৰ আগেয়ে সুবাগুৰি। আনহেতে দৰা বা কইনাৰ মাকৰ যদি মাকৰ মৃত্যু ঘটে তেতীয়া খুৰীয়েক,বৌয়েক বা সম্বন্ধীয় বয়সস্থ মহিলাই মাকৰ কাম সমূহ সামাধা কৰে।

২.২.৭ দৰা আদৰা পৰ্ব:

দৰা বা কইনাক গা ধোৱায় অনাৰ পাছত দুয়োকে সজোৱা হয়। সজোৱাৰ পাছত নিৰ্দিষ্ট সময়ত দৰাই কইনা ঘৰলৈ যাত্ৰা কৰে। এই যাত্ৰাত আমখৰি এশ এডাল , ঘিউ,চাকি-বন্তি,ভাইবৰণৰ সাজ,মোমাই বৰণৰ সাজ ইত্যাদি সামগ্ৰী লগত লৈ যোৱা হয়।সাধাৰণতে দৰাৰ

মাকক দৰাৰ লগত যাবলৈ দিয়া নহয়।দৰা আহি কইনা ঘৰৰ পদূলিত উপস্থিত হোৱাৰ পাছত কইনাঘৰৰ মানুহে দৰা আদৰে। প্ৰথমে কইনাৰ ভনীয়েকে দৰাক ভৰা ধুৱায় আৰু কইনাঘৰৰ ভকত সকলে দৰাৰ কপালত ফোঁট দি ধুপ ধুনাৰে আৰতি কৰে। ভকতসকলে আদৰাৰ পাছত কইনাঘৰৰ আয়তী সকলে প্ৰথমে নমস্কাৰ কৰি দৰাক উপহাৰ প্ৰদান কৰে আৰু থাম এখনত ধুপ-বন্তি,চন্দনৰ ফোঁট, কেচা মিঠৈ ইত্যাদিৰে দৰা আদৰি ৰভাতলিলৈ নিয়ে।

২.২.৮ হোম দিয়া পৰ্ব:

দৰাক হোম যজ্ঞত আনি বহুৱাই ব্ৰাহ্মনে হোম যজ্ঞৰ আয়োজন কৰে।তাৰপাছত কইনাক হোমৰ ওচৰলৈ আনে। দুয়োকে থিয় কৰাই পৰস্পৰে পৰস্পৰক মালা পিন্ধাই আৰু দৰাক কইনাই স্বামীবৰন কৰি সেৱা কৰে। লগে লগে দৰাই কইনাৰ মূৰত হাত থৈ আশীবাদ দিয়ে।তাৰপাছত হোম যজ্ঞ আৰম্ভ হয়। ব্ৰাহ্মণে বেদ গায়,দৰাই হোমত ঘী ঢালে, কইনাৰ ভায়েক আৰু মোমায়েকে আখৈ সাতভাগ হোমলৈ প্ৰদান কৰে।তেতিয়া দৰা ঘৰে তেওলোকলৈ নিয়া ভাইভৰণৰ সাজ আৰু মোমাইবৰণৰ সাজ প্ৰদান কৰে। তাৰ পাছত দলা এখনত সাতভাগ পিঠা গুৰ দি তাৰ ওপৰত সাতখন তামোল দিয়ে। সেই পিঠা গুৰি খিনি কইনাই ভৰিৰে মোহাৰি দিয়ে আৰু পুৰোহিতে বেদ পঢ়ে। তাৰপাছত দৰাবৰণ কৰি কইনাঘৰীয়াই দৰাঘৰীয়াক উপহাৰ প্ৰদান কৰে। হোম দিয়াৰ পৰ্ব শেষ হোৱাৰ পাছত দৰা-কইনা দুয়োকে ভিতৰলৈ নি গোঁসাই ঘৰৰ ওচৰত সেৱা কৰে। তাৰপাছত দুয়োকে ভিতৰলৈ নি দুটা জলপানৰ বাটি সলনি কৰিবলৈ দিয়ে। বাটিকেইটা সলাওতে খুন্দা খাব নালাগে বুলি কয়। খুন্দা খালে পাছত দৰা-কইনাৰ মাজত কন্দল লাগে বুলি ধাৰণা কৰা হয়।

২.২.৯ আঙুঠি বিছৰা পৰ্বঃ

আঙুঠি বিছৰা পৰ্ব এটা খৰাহীত সম্পণকৈ চাউল ৰাখি তাৰ ভিতৰত এটা আঙুঠি ভৰাই দৰা-কইনা উভয়কে একেলগে বিচাৰিবলৈ দিয়া হয়। এই পৰ্ব শেষ হোৱাৰ পাছত দুয়োকে জা-জলপান খুৱাই আৰু ওলাই অহাৰ আগেয়ে দৰাই কইনাঘৰৰ মানুহক মান ধৰে।

২.২.১০ কইনা বিদায় দিয়া পৰ্বঃ

কইনাক বিদায় দিয়া সময়ত মাকে এখন চেলেং কাপোৰেৰে দুৱাৰ ধৰে। দুৱাৰখনৰ দুয়োফালে ৩লোটা পানী আৰু এটেকেলি চাউল থয়। সেই চাউলৰ পৰা কইনাই দুমুঠি চাউল ঘৰৰ ভিতৰলৈ অথাৎ পিছফালে ছটিয়াই আৰু উৰুলি দি দুয়োকে বিদায় দিয়া হয়।

২.২.১১ দৰা কইনা আদৰা পৰ্বঃ

দৰা-কইনা আহি দৰা ঘৰৰ পদূলি উপস্থিত হোৱাৰ পাছত দৰাঘৰৰ মানুহে হাতত খনীয়া তামোল লৈ কইনাঘৰৰ মানুহক মাত লগায়। তাৰপাছত দৰা কইনা আৰু কইনা থবলৈ যোৱা আয়তী সকলে গাড়ীৰ পৰা মানি আহে। দৰা-কইনা দুয়োকে পদুলিৰ কল পুলিৰ তলত

থিয় কৰাই ছোৱালী এজনীয়ে ভৰি ধোৱায়। তাৰ পাছত আদৰা পৰ্ব আৰম্ভ হয়। আয়তী সকলে থাল এখনত ধূপ-বন্তি,মিঠৈ ইত্যাদি লৈ সকলোৱে আদৰে। শেষত যি গৰাকী আয়তীয়ে আদৰে তেওঁ গাখীৰৰ সৈতে বাতি এটাত সাত খিলা পান তিয়াই আনে তাৰপাছত দৰা-কইনাৰ ওচৰত পানকেইখিলা তলত পেলাই দিয়ে। বাকী ৰৈ যোৱা গাখীৰ খিনিত দৰাৰ বাও আঙুলি আৰু কইনাৰ সোঁ আঙুলি একেলগ কৰি আঙুলি কেইটা গাখীৰত তিয়াই এগৰাকী আয়তীয়ে তিনিজোলোকা উৰুলি দি তিনিখোজ আগুৱাই ভিতৰলৈ লৈ যায়। ভিতৰলৈ অনাৰ পাছত দৰা কইনা দুয়োকে পুনৰ দুটা কাঁহৰ বাতিত জলপান দি ভাটি সলনি কৰিবলৈ দিয়া হয় আৰু পুনৰ চাউলৰ খৰাহীত আঙুঠি বিচৰা পৰ্ব আৰম্ভ কৰে।

২.২.১২ খোৱা –খুবুনিঃ

দৰা কইনা দুয়োকে বিয়াৰ পিছদিনা ৰাতি হোমযজ্ঞত পিন্ধা সাজযোৰ পিন্ধিবলৈ দিয়া হয়। আৰু লগুণ দিয়নি অথাৎ দৰা কইনা দুয়োকে চেলেং এখনেৰে গাথি দি সেই চেলেংখন গাত পিন্ধাই দিয়া হয়। ব্ৰাহ্মণে হৰ-পাবতীৰ বেদ পঢ়ে। কইনাক থাল এখনত অলপ পিঠা গুৰি দি তাত জালুক,গুৰ,চেনি,গাখীৰ ইত্যাদিৰে সানিবলৈ দিয়া হয় আৰু তিনিটা লাড়ু তৈয়াৰ কৰি দৰা-কইনাক পৰস্পৰে পৰস্পৰক সেই লাড়ু খুৱায়। তাৰপাছত উৰুলি দি এই পৰ্ব সমাপ্তি কৰে।

২.২.১৩ আঠমঙলা খোৱা পৰ্ব:

বিয়াৰ আঠ দিনৰ পাছত দৰা আৰু কইনাই দুটামান সৰু লৰা ছোৱালী লগত লৈ কইনাঘৰলৈ আঠমঙলা খাবলৈ যায়। আঠমঙলাত আঠবিধ ব্যঞ্জনেৰে দৰ-কইনাক ভাত খুৱায়। সেইদিনা কইনাক মাকৰ ঘৰত থাকিবলৈ দিয়া নহয়।

২.২.১৪ দোনাই খাবলৈ অহা পৰ্ব:

আঠমঙলা খোৱা দুই দিনৰ-তিনিদিনৰ পাছত কইনাঘৰৰ মানুহ গৈ দৰা ঘৰৰ অনুমতি ক্ৰমে কইনাক মাকৰ ঘৰত দুদিন মান থকাকৈ লৈ আহে। তাৰপাছত দৰা আহি কইনাক মাকৰ ঘৰৰ পৰা নিজৰ ঘৰলৈ লৈ যায়।

এই পৰ্ব সমাপ্তি পিছতেই কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ আনুষ্ঠানিক সমাপ্তি ঘটে।

## ৩.০ উপসংহাৰঃ

### ৩.১ ক্ষেত্ৰ সমীক্ষা পৰা প্ৰাপ্ত সিদ্ধান্তঃ

১) কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ সমুহ কৈৱৰ্ত,কোঁচ,নাথ,যোগীসকলৰ লোকাচাৰসমূহৰ লগতো বহুত খিনি মিল থকা দেখা যায়।

২) কলিতা সম্পদায়ৰ মাজত প্ৰচলিত লোকবিশ্বাসৰ ভেটিত এই কোকাচাৰ সমুহৰ জন্ম।

### ০.২ সামৰণিঃ

কলিতা জনগোষ্ঠীয় লোকসকলে পালন কৰা বিভিন্ন লোকাচৰ সমুহৰ ভিতৰত বিবাহ সম্পৰ্কীয় লোকাচাৰ সমুহে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। একে জনগোষ্ঠীৰ হলেও ঠাই ভেদে কলিতা সকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ বিভিন্নতা দেখা যায়। এই বিভিন্নতাই লোকসংস্কৃতিৰ সমল সমুহ যে সকলো ঠাইতে,সকলো সমাজতে একে পোৱা নাযায় তাকে সূচায়। কোনো কোনো ক্ষেত্ৰত তেওঁলোকে পালন কৰা লোকাচাৰ সমুহৰ মাজতো স্বকীয়তা দেখা যায়।

### তথ্য দাতাৰ তালিকাঃ

১/ লাৱণ্য ফুকন, চিনাতলি গাওঁ, মহিমাবাৰী, ডাকঘৰঃমহিমাবাৰী ডাক সূচাংক- ৭৮৫৬৩০,শিক্ষাঃ ষষ্ঠ শ্ৰেণী, বৃত্তিঃ গৃহিনী , বয়সঃ ৬৫ বছৰ।

২/ নিপিটি চমুৱা,চিনাতিলি গাঁও,মহিমাবাৰী গাঁও,ডাকঘৰঃ মহিমাবাৰী ডাক সূচাংকঃ ৭৮৫৬৩০,শিক্ষাগত অৰ্হতাঃ নিৰক্ষৰ,বৃত্তিঃ গহিণী, বয়সঃ ৭৭ বছৰ

৩/ ভক্তি কলিতা ,চিনাতিলি গাঁও,মহিমাবাৰী গাঁও,ডাকঘৰঃ মহিমাবাৰী ডাক সূচাংকঃ ৭৮৫৬৩০,শিক্ষাগত অৰ্হতাঃ দশম শ্ৰেণী,বৃত্তিঃ গহিণী, বয়সঃ ৬০ বছৰ

৪/ পূৰ্ণিমা বৰা ,চিনাতিলি গাঁও,মহিমাবাৰী গাঁও,ডাকঘৰঃ মহিমাবাৰী ডাক সূচাংকঃ ৭৮৫৬৩০,শিক্ষাগত অৰ্হতাঃ দশম শ্ৰেণী ,বৃত্তিঃ গহিণী, বয়সঃ ৪৩ বছৰ

কলিতা সকলৰ বিয়াৰ কিছুমান আলোক চিত্ৰঃ

তোলনি বিয়াঃ











বৰ বিয়াঃ















